# REGIONAL NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 13-02-2024

**Time :** 0900 Hrs

***Assamese Morning Bulletin***

***:::::::::::::::::::::::::::::::::::::::***

## Headlines

১। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আজি অসম ৰাজ্যিক অসামৰিক বঁটা প্ৰদান অনুষ্ঠান। উপ-ৰাষ্ট্ৰপতি, ৰাজ্যপাল আৰু মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ।

২। অসমত দ্ৰুত হাৰত বৃদ্ধি কৰ্কট ৰোগীৰ সংখ্যা। প্ৰতিবছৰে নতুনকৈ ৫০ হাজাৰ ৰোগী চিনাক্ত হোৱা বুলি সদনত স্বাস্থ্যমন্ত্ৰীৰ প্ৰকাশ।

৩। ৰাজ্যৰ নতুন বাজেটত চাহ উদ্যোগলৈ আগবঢ়োৱা আয়কৰ ৰেহাইৰ সুবিধা ৩ বছৰলৈ বৃদ্ধিৰ প্ৰস্তাৱ।

৪। বিশ্ব ৰেডিঅ’ দিৱস উপলক্ষে ৰাজ্যজুৰি বিভিন্ন কাৰ্যসূচীৰ আয়োজন।

*আৰু*

৫। টেনিছত ভাৰতৰ সুমিত নাগালৰ প্ৰথমবাৰৰ বাবে এ টি পি একক ৰেংকিঙত শীৰ্ষ ১০০ গৰাকী খেলুৱৈৰ ভিতৰত স্থান লাভ।

০০০০০০০

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় আজি অসমলৈ আহিব। ৰাজ্য চৰকাৰৰ ২০২৩ বৰ্ষৰ অসামৰিক সন্মান প্ৰদান অনুষ্ঠানত তেওঁ অংশগ্ৰহণ কৰিব। আজি বিয়লি গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে। উপ-ৰাষ্ট্ৰপতি শ্ৰী ধনখড় আৰু মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত ৰাজ্যপাল গুলাব চান্দ কাটাৰীয়াই বিভিন্ন ক্ষেত্ৰৰ যশস্বী ব্যক্তিসকলক এই সন্মানসমূহ প্ৰদান কৰিব। ন্যায়, কলা-সংস্কৃতি, ক্ৰীড়া, জনসেৱা, স্বাস্থ্য, শিক্ষা, উদ্যমিতা, উদ্যোগ, কৃষি, পৰিৱেশ আৰু বন্যপ্ৰাণী সংৰক্ষণ আদিৰ ক্ষেত্ৰত আগবঢ়োৱা অনবদ্য সেৱাৰ স্বীকৃতি স্বৰূপে প্ৰতি বছৰে এই বঁটাসমূহ প্ৰদান কৰি অহা হৈছে। এইবাৰ অসম বৈভৱ বঁটা সৰ্বোচ্চ ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত মুখ্য ন্যায়াধীশ ৰঞ্জন গগৈলৈ আগবঢ়োৱা হৈছে। একেদৰে অসম সৌৰভ বঁটা ডং কিষণ চন্দ নৌৰিয়াল, এলভিছ আলী হাজৰিকা, হিমা দাস আৰু নাদিৰাম দেউৰীক প্ৰদান কৰা হ’ব। ৰঞ্জিত কুমাৰ গগৈ, পাৰ্বতী বৰুৱা, দেৱজিৎ চাংমাই, দ্ৰোণ ভূঞা, নীলম দত্ত, অনুপম ডেকা, সৌম্যদ্বীপ দত্ত, বসন্ত চিৰিং ফুকন, মানেন্দ্ৰ ডেকা, মীনাক্ষী চেতিয়া, পখিলা লেকথেপি, টেনজিং বদোচা, নিৰ্মল দে, জেচিন কুম্বাং পাৰ, মেৰী হাছাঁ, উপেন্দ্ৰ ৰাভা আৰু ৰাহুল গুপ্তাক ২০২৩ বৰ্ষৰ অসম গৌৰৱ বঁটা প্ৰদান কৰা হ’ব।

উপ ৰাষ্ট্ৰপতিৰ ভ্ৰমণৰ পৰিপ্ৰেক্ষিতত আজি গুৱাহাটী মহানগৰ আৰক্ষীয়ে যান-বাহনৰ চলাচলৰ ক্ষেত্ৰত কেতবোৰ বাধা নিষেধ আৰোপ কৰিছে। এই অনুসৰি আজি পুৱা ৮ বজাৰ পৰা নিশা ১০ বজালৈকে ১৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ, এ টি ৰোড, ডি জি ৰোড, এম জি ৰোড, তৈয়বুল্লা ৰোড, বি বৰুৱা ৰোড, জি এছ ৰোড, পাঞ্জাবাৰী আৰু ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত ৪ চকীয়া বা তাতকৈ ডাঙৰ সামগ্ৰী পৰিবাহী বাণিজ্যিক যান-বাহনৰ চলাচলত বাধা আৰোপ কৰা হৈছে। এই সময়ছোৱাত এই পথসমূহত ৩ চকীয়া বা ততোধিক চকাৰ সামগ্ৰী পৰিবাহী বাণিজ্যিক যান-বাহনৰ চলাচলতো সীমাবদ্ধতা আৰোপ কৰা হৈছে। ছিটিবাছ, অসম ৰাজ্যিক পৰিবহন নিগমৰ বাছ আদিৰ চলাচলকো নিয়ন্ত্ৰণ কৰা হ’ব বুলি এটা বিবৃতিত প্ৰকাশ কৰা হৈছে।

০০০০০০

অসমত কৰ্কট ৰোগীৰ সংখ্যা বিগত কেইটামান বছৰত ভয়াৱহ হাৰত বৃদ্ধি পাইছে। চলিত বিধানসভাৰ বাজেট অধিৱেশনত কালি এইবিষয়ে তথ্য প্ৰকাশ কৰি স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তই কয় যে ৰাজ্যত প্ৰতিবছৰে নতুনকৈ ৫০ হাজাৰ কৰ্কট ৰোগী চিনাক্ত হয়। মন্ত্ৰীগৰাকীয়ে লগতে কয় যে দৰং, কামৰূপ আৰু চিৰাং জিলাত কৰ্কট ৰোগৰ প্ৰকোপ তুলনামূলকভাৱে বেছি। আনহাতে, নতুনকৈ চিনাক্ত হোৱা ৫০ হাজাৰ ৰোগীৰ ৭০ শতাংশই পলমকৈ চিকিৎসকৰ কাষ চাপে বুলি মন্ত্ৰীগৰাকীয়ে সদনক অৱগত কৰে। বিধায়ক জাকিৰ হুছেইন শিকদাৰ আৰু জয়ন্ত বসুমতাৰীয়ে কৰ্কট ৰোগৰ ভয়াৱহতা সন্দৰ্ভত কৰা প্ৰশ্নৰ উত্তৰ দি স্বাস্থ্যমন্ত্ৰীগৰাকীয়ে লগতে কয় যে পলমকৈ চিনাক্ত হোৱাৰ ফলতে ৰোগী সম্পূৰ্ণৰূপে ৰোগমুক্ত হ'ব নোৱাৰে। ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ অধীনত ৩ বছৰত ১ কোটি লোকৰ কৰ্কট স্ক্ৰীনিংৰ কাম চলি থকাৰ লগতে সজাগতাৰ বাবেও কেইবাটাও বেচৰকাৰী সস্থাই কাম কৰি থকাৰ কথা মন্ত্ৰীগৰাকীয়ে অৱগত কৰে। ইপিনে, ডাঃ বি বৰুৱা কৰ্কট প্ৰতিষ্ঠানে কামৰূপ মহানগৰত ১ লাখ স্ক্ৰীনিঙৰ লক্ষ্যৰে কাম হাতত লৈ ইতিমধ্যে ৪০ হাজাৰ স্ক্ৰীনিং সম্পূৰ্ণ কৰাৰ কথাও তেওঁ জানিবলৈ দিয়ে। স্বাস্থ্যমন্ত্ৰীগৰাকীয়ে সদনক লগতে জনায় যে পূৰ্বৰ দৰে কৰ্কট ৰোগৰ চিকিৎসা কৰিবলৈ অসমৰ পৰা হাজাৰ হাজাৰ ৰোগী বহিঃৰাজ্যলৈ যোৱাৰ প্ৰক্ৰিয়াটো এতিয়া মন্থৰ হৈছে। অসমতে এতিয়া কৰ্কট ৰোগৰ উন্নত চিকিৎসাৰ ব্যৱস্থা আছে। যোৱাবছৰ মুকলি কৰা ৭ খন কৰ্কট প্ৰতিষ্ঠানৰ আটাইকেইখনতে সকলো অত্যাধুনিক সা-সুবিধা থকাৰ কথা অৱগত কৰি স্বাস্থ্যমন্ত্ৰীগৰাকীয়ে লগতে কয় যে অসমত চিকিৎসকৰ অভাৱ থকাৰ বাবেই বাহিৰৰ পৰা চিকিৎসক আনি ৰোগীক সু-চিকিৎসা প্ৰদান কৰা হৈছে।

০০০০০০০

ৰাজ্যত ২০২২-২৩ বিত্তীয় বৰ্ষত বিত্ত বিভাগৰ অধীনত ১৯ হাজাৰ ৭১৫ কোটি টকা সংগ্ৰহ কৰা হৈছে। এয়া পূৰ্বৰ বৰ্ষৰ তুলনাত ২১ শতাংশ অধিক। অসম বিধানসভাত আসন্ন বিত্তীয় বৰ্ষৰ বাবে বাজেট উত্থাপন কৰি কালি বিত্তমন্ত্ৰী অজন্তা নেওগে এই তথ্য প্ৰকাশ কৰে। জি এছ টি সংগ্ৰহৰ ক্ষেত্ৰত দেশৰ অগ্ৰণী ৰাজ্যসমূহৰ ভিতৰত অসমো আছে বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে, চলিত বৰ্ষৰ ৩১ জানুৱাৰীলৈকে জি এছ টি আৰু অনা জি এছ টিৰ সংগ্ৰহৰ পৰিমাণ ১৮ হাজাৰ ৪৭৪ কোটি টকা হৈছে। তেওঁ কয় যে, ২০২২-২৩ বিত্তীয় বৰ্ষৰ এই একে সময়ছোৱাত ১৬ হাজাৰ ২৪০ কোটি টকা সংগ্ৰহ হৈছিল। বাজেট ভাষণত মন্ত্ৰী নেওগে জনায় যে, অনাগত বৰ্ষত এই সংগ্ৰহৰ হাৰ ১৬ শতাংশলৈ বৃদ্ধি কৰাৰ প্ৰচেষ্টা চলোৱা হ'ব। বিত্তমন্ত্ৰী গৰাকীয়ে লগতে কয় যে কৰ ফাকি ৰোধ কৰিবলৈ আই আই টি হায়দৰাবাদৰ সহযোগত কৰ আয়ুক্তালয়ৰ তথ্য বিশ্লেষণ সামৰ্থ্য বৃদ্ধি কৰাৰ প্ৰচেষ্টা অব্যাহত ৰখা হৈছে। নতুন বাজেটত চাহ উদ্যোগলৈ আগবঢ়োৱা আয়কৰ ৰেহাইৰ সুবিধা ৩ বছৰলৈ বৃদ্ধি কৰা হৈছে। একেদৰে নৱীকৰণ যোগ্য বিদ্যুৎ উৎপাদনকাৰী উদ্যোগৰ বাবে বিদ্যুৎ মাচুল ৰেহাইৰ সুবিধাও ৩ বছৰৰ বাবে বৃদ্ধি কৰা হৈছে। শ্ৰীমতী নেওগে কয় যে, আবকাৰী বিভাগে ২০২২-২৩ বিত্তীয় বৰ্ষত দুহেজাৰ ৫২৭ কোটি টকা ৰাজহ সংগ্ৰহ কৰিছে। বিভাগে অবৈধ সুৰা সম্বন্ধীয় ১৩ হেজাৰৰো অধিক গোচৰ ৰুজু কৰাৰ লগতে তিনি হাজাৰ লোকক গ্ৰেপ্তাৰ কৰিছে বুলিও মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০০

অহা ১ মাৰ্চৰ পৰা অসম চৰকাৰে সমগ্ৰ ৰাজ্যজুৰি বিকাশ যাত্ৰা আৰম্ভ কৰিব। ১০ মাৰ্চলৈ চলিবলগীয়া এই যাত্ৰাত ৯৬৪ টা প্ৰকল্পৰ আধাৰশিলা স্থাপনৰ লগতে এহেজাৰ ৮১২ টা প্ৰকল্প উদ্বোধন কৰা হ'ব। ৰাজ্য চৰকাৰে কালি কেবিনেটত এনে মুঠ দুহেজাৰ ৭৭৬ টা প্ৰকল্পৰ নামত প্ৰায় ২৩ হাজাৰ কোটি টকা ব্যয় কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত কেবিনেট বৈঠকখনত ৰাজ্যৰ ৰাজহুৱা আন্তঃগাঁথনিৰ উন্নয়নৰ ক্ষেত্ৰত আন কেইবাটাও সিদ্ধান্ত গ্ৰহণ কৰা হয়। সেই অনুসৰি অসমৰ গ্ৰাম্য পথ নেটৱৰ্ক ৰূপান্তৰিত কৰিবলৈ দ্বিতীয় পৰ্যায়ৰ অসমমালাৰ অধীনত ১২ টা প্ৰকল্পৰ বাবে মুঠ এহেজাৰ ৫১০ দশমিক ৯৮ কোটি টকাৰ প্ৰশাসনিক অনুমোদন

দিয়া হয়। ইপিনে, আপোন ঘৰ আঁচনিৰ জৰিয়তে ৰাজ সাহায্যযুক্ত গৃহ নিৰ্মাণৰ ঋণৰ সুবিধা লাভ কৰা ৰাজ্য চৰকাৰৰ কৰ্মচাৰীসকলক সুলভ গৃহ ঋণ লাভ কৰাত সহায় কৰিবলৈ ২০২৩-২৪ বিত্তীয় বৰ্ষত সূতৰ ৰেহাই হিচাপে ১০৭ কোটি ৩০ লাখ টকা মুকলি কৰাৰ সন্মতিও কেবিনেটে প্ৰদান কৰে।

ইপিনে, কালিৰ কেবিনেট বৈঠকতে মিছন বসুন্ধৰাৰ তৃতীয় পৰ্যায় আৰম্ভ কৰাৰ সিদ্ধান্তও গ্ৰহণ কৰা হয়। সেই অনুসৰি অহা ১৬ ফেব্ৰুৱাৰীত মিছন বসুন্ধৰা দ্বিতীয় পৰ্যায়ৰ অন্ত পৰাৰ পাছত অহা ২৩ৰ পৰা ২৯ ফেব্ৰুৱাৰীলৈ ৰাজ্যজুৰি আনুষ্ঠানিকভাৱে ভূমিৰ পট্টা বিতৰণ কৰা হ'ব। তাৰ পাছতেই ৰাজ্য চৰকাৰে মিছন বসুন্ধৰাৰ তৃতীয় পৰ্যায়ৰ আৰম্ভণি কৰি একচনীয়া পট্টা ম্যাদী পট্টালৈ ৰূপান্তৰকৰণ, একচনীয়া পট্টাৰ সামগ্ৰিক ডিজিটীয়কৰণ, ধৰ্মীয় প্ৰতিষ্ঠানৰ পৰা আহৰণ কৰা ভূমিৰ নিষ্পত্তি, ভূমিদান তথা গ্ৰামদানৰ নিষ্পত্তি, অনুদান ভূমিক ম্যাদীপট্টালৈ ৰূপান্তৰকৰণ আদিকে ধৰি বিভিন্ন সেৱাসমূহ পৰ্যায়ক্ৰমে সমাধান কৰা হ'ব।

০০০০০০০

আজি বিশ্ব অনাতাঁৰ দিৱস। ৰেডিঅ'ৰ গুৰুত্বৰ বিষয়ে জনসাধাৰণ আৰু সংবাদ মাধ্যমৰ মাজত সজাগতা সৃষ্টিৰ লগতে ৰেডিঅ'ৰ মাধ্যমেৰে তথ্য আহৰণ কৰিবলৈ উৎসাহিত কৰাৰ উদ্দেশ্যে প্ৰতিবছৰে ১৩ ফেব্ৰুৱাৰীৰ দিনটো বিশ্ব অনাতাঁৰ দিৱস হিচাপে পালন কৰি অহা হৈছে। ইউনেস্ক'ৰ সদস্য ৰাষ্ট্ৰসমূহে ২০১১ চনত এই দিৱস পালন কৰাৰ কথা ঘোষণা কৰিছিল আৰু ২০১২ চনত ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই ইয়াক আন্তঃৰাষ্ট্ৰীয় দিৱসৰ স্বীকৃতি প্ৰদান কৰিছিল। ইউনেস্ক'ৰ ব্যাখ্যা অনুসৰি ৰেডিঅ' মানৱতা উদযাপনৰ এটা শক্তিশালী মাধ্যম আৰু গণতান্ত্ৰিক কাম-কাজৰ উপযুক্ত মঞ্চ। ৰেডিঅ' হৈছে এনে এটা বহুমুখী মাধ্যম, যিয়ে টি ভি, ডিজিটেল আৰু ছ'চিয়েল মিডিয়াৰ দৰে বিভিন্ন মঞ্চৰ পৰা অহা সকলো প্ৰত্যাহ্বানৰ সন্মুখীন হৈয়ো সময়ৰ সৈতে খাপ খুৱাই নিজকে গঢ় দিছে। বিশ্বৰ অধিক সংখ্যক লোকে ব্যৱহাৰ কৰা অন্যতম প্ৰধান মাধ্যম হিচাপে ৰেডিঅ'ই বহুসংখ্যক শ্ৰোতাক সামৰি ল'ব পাৰে আৰু সমাজৰ বৈচিত্ৰ্যৰ অভিজ্ঞতা তথা সকলোৰে বাবে মত বিনিময়ৰ সুবিধা প্ৰদান কৰে। সেয়েহে এই দিনটো জীৱনক স্পৰ্শ কৰা আৰু বিশ্বৰ প্ৰতিটো অঞ্চলৰ লোকক একত্ৰিত কৰা ৰেডিঅ'ৰ অভূতপূৰ্ব শক্তিক সোঁৱৰণৰো দিন।

এই বছৰৰ বিশ্ব অনাতাঁৰ দিৱসৰ বিষয় হৈছে - ৰেডিঅ'ঃ তথ্য মনোৰঞ্জন আৰু শিক্ষাদানৰ এটা শতিকা, যিয়ে ৰেডিঅ'ৰ সোণালী ইতিহাসৰ লগতে বাতৰি, নাটক, সংগীত, ক্ৰীড়া আদিকে ধৰি বিভিন্ন ক্ষেত্ৰত ইয়াৰ শক্তিশালী প্ৰভাৱৰ ওপৰত আলোকপাত কৰে। বিশ্ব অনাতাঁৰ দিৱস উপলক্ষে আজি দেশৰ বিভিন্ন প্ৰান্তৰ লগতে অসমতো ভালেমান কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। আকাশবাণী গুৱাহাটীয়ে গোৱালপাৰা জিলাৰ দুধনৈ মহাবিদ্যালয়ত এই দিৱস উদযাপন কৰিব। এই অনুষ্ঠানৰ যোগেদি জিলাখনৰ সাপ্তাহিক কাৰ্যসূচী আকাশবাণী যোগে প্ৰচাৰৰ শুভাৰম্ভ কৰা হ'ব।

০০০০০০০

ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৰ জন্মস্থান ওড়িশাৰ ৰায়ৰংপুৰৰ পৰা ৰাইচিনা হিল্‌ছৰ ৰাষ্ট্ৰপতি ভৱনলৈ যাত্ৰাৰ কাহিনীক 'নয়ী ছোচ্ নয়ী কাহানী' নাম দি এটা বিশেষ অনুষ্ঠান আকাশবাণীৰ ৰেডিঅ' গ'ল্ডৰ যোগেদি আজি পুৱা ৯ বজাৰ পৰা সম্প্ৰচাৰিত হৈছে। কেন্দ্ৰীয় মহিলা আৰু শিশু উন্নয়ন মন্ত্ৰী স্মৃতি ইৰাণীয়ে আঁত ধৰা এই অনুষ্ঠানটো সন্ধিয়া ৭ বজাত আকাশবাণী ৰেডিঅ' ৰামধেনু আৰু সকলো সামাজিক মাধ্যমত পুনৰ সম্প্ৰচাৰিত হ'ব। বিশ্ব অনাতাঁৰ দিৱস উপলক্ষে ৰাষ্ট্ৰপতি ভৱনত ৰেকৰ্ডিং কৰা এই অনুষ্ঠানত ৰাষ্ট্ৰপতি শ্ৰীমুৰ্মুৱে নিজৰ শৈশৱৰ পৰা ৰাজহুৱা নেতৃত্বলৈ অগণন অভিজ্ঞতা বৰ্ণনা কৰিছে। অনুষ্ঠানটোত ৰাষ্ট্ৰপতিগৰাকীয়ে তেওঁৰ শিক্ষা, চাকৰি আৰু ৰাজনৈতিক যাত্ৰাকো গভীৰভাৱে স্মৰণ কৰিছে।

০০০০০০০

ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী এন আৰ চিৰ বাবে আধাৰ কাৰ্ডৰ পৰা বঞ্চিত হোৱা ২৭ লাখ লোকক লৈ ৰাজ্য চৰকাৰে উদ্বিগ্নতা প্ৰকাশ কৰিছে। প্ৰায় ২৭ লাখ লোকৰ আধাৰ কাৰ্ড বন্ধ কৰি ৰখাৰ বিষয়টো সন্দৰ্ভত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব

শৰ্মাই কয় যে এই বিষয়টো কেন্দ্ৰৰ দৃষ্টিগোচৰ কৰা হৈছে আৰু এই সন্দৰ্ভত শীঘ্ৰেই সঠিক সমাধান লাভ কৰাৰ আশা আছে। চৰকাৰে অতি শীঘ্ৰেই এই বিষয়টোৰ সমাধানৰ প্ৰয়াস কৰি আছে বুলি তেওঁ প্ৰকাশ কৰে। লগতে তেওঁ কয় যে, এন আৰ চিৰ চূড়ান্ত তালিকা এতিয়াও প্ৰকাশ হোৱা নাই। নাগৰিক পঞ্জীয়ন আৰু ৰাষ্ট্ৰীয় পৰিচয় পত্ৰ অধিনিয়ম ২০২৩ অনুসৰি চূড়ান্ত তালিকা প্ৰকাশৰ অধিকাৰ ভাৰতৰ মহা পঞ্জীয়কৰ হাতত ন্যস্ত আছে বুলি তেওঁ উল্লেখ কৰে। বিধানসভাত এটা প্ৰশ্নৰ উত্তৰত তেওঁ কয় যে এন আৰ চিৰ সত্যাসত্য নিৰূপণৰ বাবে অসম চৰকাৰে কোনো ধৰণৰ শপতনাপা দাখিল কৰা নাই। তেওঁ কয় যে, উচ্চতম ন্যায়ালয়ে ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী উন্নীতকৰণ বিষয়ক জটিলতাৰ বাবে আধাৰ কাৰ্ডৰ পৰা বঞ্চিত হোৱা ২৭ লাখ লোকৰ বায়'মেট্ৰিক সংগ্ৰহ কৰাৰ নিৰ্দেশ দিছিল। ৰাজ্য চৰকাৰে ইতিমধ্যে সকলো তথ্য কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰিছে বুলি তেওঁ কয়। কেন্দ্ৰীয় চৰকাৰে জাননী জাৰি নকৰা পৰ্যন্ত এই সন্দৰ্ভত ৰাজ্য চৰকাৰে একো কৰিব নোৱাৰে বুলি তেওঁ প্ৰকাশ কৰে। ৰাজ্য চৰকাৰৰ আঁচনি লাভৰ ক্ষেত্ৰত এই ২৭ লাখ লোকৰ একো অসুবিধা নাই যদিও কেন্দ্ৰীয় চৰকাৰৰ আঁচনি লাভৰ ক্ষেত্ৰত সমস্যা আছে বুলি তেওঁ কয়।

ইপিনে, ৰাজ্যখনত প্ৰায় ৯৭ হাজাৰ সন্দেহযুক্ত ভোটদাতা আছে বুলি তেওঁ উল্লেখ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে এইবুলিও প্ৰকাশ কৰে যে ১৯৯৭ ৰ পৰা ২০২৩ পৰ্যন্ত ৮৯ হাজাৰ সন্দেহযুক্ত ভোটদাতাৰ নাম ভোটাৰ তালিকাৰ পৰা কৰ্তন কৰা হৈছে।

0000000

টেনিছত ভাৰতৰ সুমিত নাগালে ২৩ নম্বৰ স্থানত উপনীত হৈ প্ৰথমবাৰৰ বাবে এ টি পি একক ৰেংকিঙত শীৰ্ষ ১০০ গৰাকী খেলুৱৈৰ ভিতৰত স্থান লাভ কৰিছে। কালি চেন্নাই অ'পেন চেলেঞ্জাৰ প্ৰতিযোগিতাত জয়লাভৰ পাছতে নাগালে এই কৃতিত্ব অৰ্জন কৰিছে। চেন্নাই অ'পেনৰ ফাইনেলত ইটালীৰ লুকা নাৰ্ডিক ৬-১, ৬-৪ ছেটত পৰাস্ত কৰি নাগালে এই খিতাপ অৰ্জন কৰিছে। যোৱামাহত নাগালে তেতিয়াৰ বিশ্বৰ ২৭ নম্বৰ স্থানৰ খেলুৱৈ কাজাখাস্তানৰ আলেকজেণ্ডাৰ বুবলিকক পৰাস্ত কৰি গ্ৰেণ্ড শ্লেমত স্থানপ্ৰাপ্ত খেলুৱৈক পৰাস্ত কৰা প্ৰথমগৰাকী ভাৰতীয় হিচাপে পৰিগণিত হয়।

0000000

## Newspaper Review (13-2-2024 Morn.)

বিত্তমন্ত্ৰী অজন্তা নেওগে কালি অসম বিধানসভাত ২০২৪-২৫ বৰ্ষৰ বাজেট দাখিল কৰে **নিয়মীয়া বাৰ্তা** আৰু **দি আছাম ট্ৰিবিউন** কাকতে এই বাতৰিক শীৰ্ষ স্থান দিছে। একেটা বাতৰিৰে **অসমীয়া প্ৰতিদিন** কাকতৰ শিৰোনাম চমক সৃষ্টিকাৰী সন্মোহিনী বাজেট।

মহাজোঁট বন্ধন ত্যাগ কৰি বিজেপিৰ সমৰ্থনত চৰকাৰ গঠন কৰা বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰে আস্থা ভোটত জয়লাভ কৰিছে। ২৪৩ জনীয়া বিহাৰ বিধানসভাত ১২৯ গৰাকী বিধায়কৰ ভোট লাভ কৰি জে ডি ইউ-বিজেপিৰ চৰকাৰে সংখ্যা গৰিষ্ঠতা প্ৰতিপন্ন কৰিছে। **আমাৰ অসম** কাকতে গুৰুত্বসহকাৰে এই বাতৰি প্ৰকাশ কৰিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰোজগাৰ মেলাত এক লাখৰো অধিক লোকক ভাৰ্চুৱেলি নিযুক্তিপত্ৰ বিতৰণ কৰে। গুৱাহাটীত অনুষ্ঠিত ৰোজগাৰ মেলাত কেন্দ্ৰীয় বন্দৰ, জাহাজ, পৰিবহণ আৰু জলপথ তথা আয়ুষ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে অংশগ্ৰহণ কৰে। **দৈনিক জনমভূমি** আৰু **দ্যা ছেণ্টিনেল** কাকতে প্ৰথম পৃষ্ঠাত এই বাতৰিক স্থান দিছে।

ভাৰতীয় নৌসেনাৰ প্ৰাক্তন জোৱানসকল কাটাৰ জে'লৰ পৰা মুক্তি লাভ কৰি ঘৰলৈ উভতি আহিছে। **অসমীয়া খবৰ** কাকতত এই বাতৰি প্ৰকাশ হৈছে।

**দৈনিক অসম** কাকতে ভাৰতীয় সেনা বাহিনীয়ে শোণিতপুৰৰ মিছামাৰীত সামৰিক ঘাটিৰ ওচৰত লামা কেম্প বন্ধ কৰাৰ বাতৰি প্ৰকাশ কৰিছে।

কালি আৰম্ভ হোৱা উচ্চতৰ মাধ্যমিক পৰীক্ষাত ইংৰাজী বিষয়ৰ প্ৰশ্নকাকত ফাদিল হোৱাৰ অভিযোগ উত্থাপিত হৈছে। **দৈনিক অগ্ৰদূত** কাকতত গুৰুত্বসহকাৰে এই বাতৰি প্ৰকাশ কৰা হৈছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – বিশ্বৰ তৃতীয় বৃহত্তম অৰ্থনীতি হোৱাৰ দিশত আগবাঢ়িছে ভাৰত, বছৰি ৰাজ্যত ৫০ হাজাৰ নতুন কৰ্কট ৰোগী, চেল্যুট মহানগৰ আৰক্ষী ঃ ২৪ ঘণ্টাৰ ভিতৰত ৩ শিশু অপহৰণকাৰীক গ্ৰেপ্তাৰ, শিক্ষা উপদেষ্টাৰ পদ ত্যাগ ড০ ননী গোপাল মহন্তৰ ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০০

**সমাপ্ত**